# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-10-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গাই পাৰ্মেলিনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হৈছে।

২। ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰিছে বুলি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসমৰ ডিব্ৰুগড়ৰ বগীবিল টাৰ্মিনেলৰ পৰা আন্তঃৰাষ্ট্ৰীয় মালবাহী জাহাজৰ প্ৰথমটো যাত্ৰাৰ শুভাৰম্ভ কৰে।

৪। অসমৰ নগাঁও লোকসভা সমষ্টিৰ লগতে দেশৰ পাঁচখন বিধানসভা আসনত কাইলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

*আৰু*

৫। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই শিখগুৰু, গুৰু নানক দেৱৰ জ্যোতি জ্যোত দিৱস উপলক্ষে শ্ৰদ্ধা নিবেদন কৰিছে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গাই পাৰ্মেলিনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হৈছে। দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন, সংস্কৃতি, জনসাধাৰণৰ মাজৰ সংযোগকে ধৰি বিভিন্ন বিষয়ত দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। তেওঁলোকে লগতে আঞ্চলিক আৰু গোলকীয় বিষয়তো মত বিনিময় কৰিব। ৰাষ্ট্ৰপতি পাৰ্মেলিন শীৰ্ষ বিষয়া আৰু ব্যৱসায় নেতাসকলৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ সৈতে আজি পুৱা তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিছে। পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ ৰাজ্যমন্ত্ৰী অজয় তামটাই তেওঁক বিমান বন্দৰত আদৰণি জনায়। ইয়াৰ পাছত ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰীপাৰ্মেলিনক আদৰণি জনায়। আদৰণি অনুষ্ঠানৰ পাছত সাংবাদিকৰ আগত ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভাৰত আৰু ছুইজাৰলেণ্ডৰ সম্পৰ্কক সুদৃঢ় কৰাৰ ক্ষেত্ৰত এই ভ্ৰমণ এটা বিশেষ সুযোগ। তেওঁ কয়, যে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক গণতান্ত্ৰিক প্ৰমূল্য, আস্থা আৰু পাৰস্পৰিক সন্মানৰ ওপৰত গঢ় লৈ উঠিছে।

**বাইট (পাৰ্মেলিন)**

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে ৰাষ্ট্ৰপতি পাৰ্মেলিনক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে ভাৰত-ইউৰোপীয় মুক্ত বাণিজ্য সংঘ- বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ আধাৰত গঢ়ি উঠা ভাৰত-ছুইজাৰলেণ্ড অংশীদাৰিত্ব সুদৃঢ় কৰাৰ দিশত ৰাষ্ট্ৰপতি পাৰ্মেলিনৰ মনোভাৱৰ প্ৰশংসা

কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতিগৰাকীৰ মাজৰ বৈঠকে বিভিন্ন ক্ষেত্ৰ সামৰি ল'ব বুলি আশা প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে নতুন দিল্লীত উপস্থিত হৈ অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজঘাটত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে। শ্ৰীপাৰ্মেলিনে আজি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। শ্ৰীমুৰ্মুৱে ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে অভ্যৰ্থনা অনুষ্ঠানৰ আয়োজন কৰিব।

উল্লেখযোগ্য যে ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতিগৰাকী চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত নতুন দিল্লীত অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলনত অংশগ্ৰহণৰ বাবে ভাৰতলৈ আহিছিল।

oooooooo

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিক প্ৰশংসা কৰি কয় যে এই চুক্তিয়ে বাণিজ্য চুক্তি সন্দৰ্ভত আলোচনা আৰু চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰিছে। নতুন দিল্লীত আজি অনুষ্ঠিত মিউনিখ নেতৃবৃন্দৰ বৈঠকত দিয়া ভাষণত শ্ৰীমতী সীতাৰমনে কয় যে সকলো চুক্তিৰ ভেটি হিচাপে অভিহিত এই চুক্তিয়ে প্ৰায় ২ বিলিয়ন লোকক প্ৰতিনিধিত্ব কৰা অৰ্থনীতি আৰু বিশ্বৰ মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় এক-চতুৰ্থাংশ সামৰি লৈছে। বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে এই চুক্তিয়ে প্ৰতিযোগিতামূলক মনোভাৱ অক্ষুণ্ণ ৰখাৰ লগতে পৰিপূৰক বজাৰৰ লভ্যতাও নিশ্চিত কৰিব। তেওঁ কয় যে এই চুক্তিৰ অধীনত ভাৰতে নিজৰ শুল্কৰ ৯২ দশমিক ৫ শতাংশ মুকলি কৰিছে আৰু বাণিজ্য মূল্যৰ ক্ষেত্ৰত এই পৰিমাণ ৯৭ শতাংশ বুলি মন্ত্ৰীগৰাকীয়ে কয়।

বাইট (নিৰ্মলা সীতাৰমন)

অনুষ্ঠানত ফ্ৰান্সৰ ইউৰোপীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বেঞ্জামিন হেডেডে ভাৰত-ইউৰোপীয় মুক্ত বাণিজ্য চুক্তিক ভাৰত আৰু ইউৰোপৰ ৰাষ্ট্ৰসংঘৰ মাজত বাণিজ্য দুগুণলৈ বৃদ্ধি কৰাৰ অন্যতম সুযোগ বুলি অভিহিত কৰে।

oooooooo

চলিত বৰ্ষৰ ডিচেম্বৰৰ ভিতৰত ভাৰতে আৰু কমেও তিনিখন দেশৰ সৈতে দ্বিপাক্ষিক বিনিয়োগ সুৰক্ষা চুক্তি সম্পাদন কৰাৰ সম্ভাৱনা আছে। আজি নতুন দিল্লীত অনুষ্ঠিত মিউনিখ নিৰাপত্তা সন্মিলনত ভাষণ দি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে দ্বিপাক্ষিক বিনিয়োগ সন্ধিৰ বাবে নতুন আৰ্হি সাজু হৈছে আৰু ইয়াক অধিক বিনিয়োগকাৰী অনুকূল কৰি তুলিবলৈ অতি সোনকালে কেবিনেটৰ অনুমোদন পোৱাৰ সম্ভাৱনা আছে। বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে নতুন এই আৰ্হিয়ে দুয়োপক্ষৰ বিনিয়োগকাৰীক অধিক সুৰক্ষিত কৰাত গুৰুত্ব আৰোপ কৰিব  কৰিব বিচাৰিছে।  মন্ত্ৰী শ্ৰীমতী সীতাৰমানে  কয় যে ভাৰতে সংযুক্ত আৰৱ আমিৰী ,  ওমান আৰু মধ্য এছিয়া আদি দেশৰ সৈতেও একেধৰণৰ চুক্তি সম্পন্ন কৰিছে। মন্ত্ৰীগৰাকীয়ে জনোৱা মতে   ,  কানাডা আৰু ৰাছিয়াকে ধৰি কেইবাখনো দেশৰ সৈতে দ্বিপাক্ষিক বিনিয়োগ সুৰক্ষা চুক্তিৰ আলোচনা চলি আছে।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ বগীবিল টাৰ্মিনেলৰ পৰা আন্তঃৰাষ্ট্ৰীয় মালবাহী জাহাজৰ প্ৰথমটো যাত্ৰাৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ভাৰ্চুৱেল ব্যৱস্থাৰে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লয়। নামৰূপৰ অসম পেট্ৰ'কেমিকেল লিমিটেডৰ পৰা মিথানল কঢ়িয়াই নিবলগীয়া দুখনকৈ মালবাহী জাহাজে বগীবিলৰ পৰা বাংলাদেশৰ ঢাকাৰ পানগাঁও বন্দৰলৈ যাত্ৰা আৰম্ভ কৰিছে। প্ৰতিখন জাহাজত ২৭টাকৈ কণ্টেইনাৰ আছে আৰু মুঠ এহেজাৰ ৮০ টন মিথানল লৈ যোৱা হৈছে। মালবাহী জাহাজদুখনে ব্ৰহ্মপুত্ৰৰ ৰাষ্ট্ৰীয় জলপথ ২ আৰু ভাৰত-বাংলাদেশ প্ৰট'কল জলপথ ব্যৱহাৰ কৰিব। দেশৰ স্বাধীনতাৰ পাছত প্ৰথমবাৰৰ বাবে ডিব্ৰুগড়ৰ পৰা বিদেশৰ বন্দৰলৈ পণ্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে। অসমৰ নদী বাণিজ্যৰ পুনৰুদ্ধাৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আভ্যন্তৰীণ জলপথ ব্যৱস্থা শক্তিশালী কৰাৰ ক্ষেত্ৰত এয়া গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। এই আৰম্ভণিয়ে গুৰুত্বপূৰ্ণ যোগাযোগক পুনৰ প্ৰতিষ্ঠা কৰি উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আভ্যন্তৰীণ জলপথক সুলভ, সেউজ আৰু সুচল পৰিবহণ হিচাপে বিকশাই তোলাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে।

আজিৰ অনুষ্ঠানত পৰিবহণ মন্ত্ৰী চৰণ বড়ো, শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা আৰু জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁইৰ উপৰি কেইবাগৰাকী বিধায়ক তথা ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ আৰু অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ দুগৰাকী উপস্থিত থাকে।

০০০০০০০০

অসমৰ নগাঁও লোকসভা সমষ্টিৰ লগতে তামিলনাডু, পুডুচেৰী আৰু পশ্চিম বংগৰ পাঁচখন বিধানসভা আসনত কাইলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে দায়িত্বত নিয়োজিত বিষয়াসকল ৰাওনা হৈছে। ভোটগ্ৰহণ হ'বলগীয়া প্ৰতিখন জিলাৰ প্ৰশাসনে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। এই আসনসমূহৰ বাবে শুকুৰবাৰে ভোটগণনা কৰা হ'ব। তামিলনাডুৰ মাদুৰণটকম আৰু ধাৰাপুৰম, পুডুচেৰীৰ থাট্টানছাবাদি, পশ্চিম বংগৰ ৰেজিনগৰ আৰু নন্দীগ্ৰাম বিধানসভা সমষ্টিৰ বাবে কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। অসমৰ নগাঁও লোকসভা আসনখনৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হ'ব। সমষ্টিটোৰ পূৰ্বৰ সাংসদ কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈয়ে পদত্যাগ কৰাৰ ফলত আসনখন খালী হৈছিল।

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে জিলাখনৰ পৰা মুঠ ১১ হাজাৰ ৫৩৫গৰাকী বিষয়া-কৰ্মচাৰী ভোটকেন্দ্ৰসমূহলৈ ৰাওনা হৈছে। আনহাতে, দুহেজাৰ ৩০৭গৰাকী নিৰাপত্তাৰক্ষী ভোটগ্ৰহণৰ সময়ত শান্তি-শৃংখলা ৰক্ষাৰ দায়িত্ব পালনৰ বাবে ৰাওনা হৈছে। মৰিগাঁও জিলাতো নিৰ্বাচনৰ দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীসকল ৯৭০টা ভোটকেন্দ্ৰলৈ ৰাওনা হৈছে। সমষ্টিটোৰ ১৯ লাখ দুহেজাৰ ভোটদাতাই কাইলৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। ইয়াৰে ৯ লাখ ৫৮ হাজাৰ ৫৪৯ জন পুৰুষ আৰু ৯ লাখ ৪৩ হাজাৰ ৩০০ গৰাকী মহিলা ভোটদাতা।

০০০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই শিখগুৰু, গুৰু নানক দেৱৰ জ্যোতি জ্যোত দিৱস উপলক্ষে শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীবিৰলাই কয়, যে গুৰু নানক দেৱে তেওঁৰ জীৱন কালত সত্য, সহমৰ্মিতা, মানৱতা আৰু বিশ্বৰ কল্যাণৰ বাৰ্তা দিছিল। তেওঁ লগতে কয় যে গুৰু নানক দেৱে সমাজৰ অন্ধবিশ্বাস, বৈষম্য, জাতিগত বিভেদ আদিৰ বিৰুদ্ধে নিৰ্ভয়ে মাত মাতিছিল। গুৰু নানক দেৱৰ প্ৰেম, সহমৰ্মিতা, সেৱা, সত্য, ভাতৃত্ববোধ আৰু পাৰস্পৰিক সন্মানৰ বাৰ্তা আজিও সমাজত প্ৰাসংগিক হৈ আছে বুলি লোকসভাৰ অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

সমাপ্ত